জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ১৯৭/২০২২

# হোজাই জিলাৰ বানত ক্ষতিগ্ৰস্ত এলেকা পৰিদৰ্শন মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

**দিছপুৰ, ১১ জুলাই ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি হোজাই জিলাৰ বানত ক্ষতিগ্ৰস্ত এলেকা পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে কপিলী নদীয়ে খহনীয়াৰ সৃষ্টি কৰা দক্ষিণ কেন্দুগুৰি এলেকা পৰিদৰ্শন কৰে আৰু অঞ্চলটোত হোৱা ক্ষয়-ক্ষতিৰ বুজ লয়। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে দক্ষিণ কেন্দুগুৰি বৰ নামঘৰত উপস্থিত হৈ  বানত ক্ষতিগ্ৰস্ত লোকসকলৰ সৈতে মত বিনিময় কৰে। মুখ্যমন্ত্ৰীয়ে ক্ষতিগ্ৰস্ত লোকসকলক আশ্বাস প্ৰদান কৰে যে কপিলী নৈৰ বান প্ৰতিৰোধৰ বাবে ৰাজ্য চৰকাৰে অতিশীঘ্ৰে অঞ্চলটোত ৩৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰি নিৰ্মাণ কৰিব। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে পুব নবগাঁৱত আশ্ৰয় শিৱিৰত থকা বনাৰ্ত্যৰ খবৰ লয়। মুখ্যমন্ত্ৰীয়ে চৰকাৰে আগবঢ়োৱা সাহায্যৰ সম্পৰ্কতো বুজ লয়।

ইয়াৰ পিছতে যোগীজানত জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলৰ সৈতে এক পৰ্যালোচনামূলক বৈঠকত মিলিত হয় মুখ্যমন্ত্ৰী ড° শৰ্মাই। বৈঠকত জিলা উপায়ুক্তগৰাকীয়ে বানৰ ক্ষয়-ক্ষতি, জিলা প্ৰশাসনে চলোৱা উদ্ধাৰ আৰু সাহায্য অভিযান সম্পৰ্কত মুখ্যমন্ত্ৰীক অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে লোকনিৰ্মাণ বিভাগৰ বিষয়াসকলক বানত ক্ষতিগ্ৰস্ত পথসমূহৰ জৰীপ কৰি এক প্ৰতিবেদন  প্ৰেৰণ কৰিবলৈ নিৰ্দেশ দিয়ে যাতে পথ যোগাযোগ ব্যৱস্থা শীঘ্ৰে সুচলতৰ কৰিব পৰা যায়। মুখ্যমন্ত্ৰীয়ে কৃষক ৰাইজে যাতে কৃষিকাৰ্যত মনোনিৱেশ কৰিব পাৰে তাৰে বাবে জিলা কৃষি বিষয়াগৰাকীক ধানৰ বীজ তথা কঠীয়া পৰ্যাপ্ত পৰিমাণে যোগান ধৰিবলৈও নিৰ্দেশ দিয়ে। বানপানীৰ সময়ত যাতে জনসাধাৰণে নিৰাপদে আশ্ৰয় ল'ব পাৰে তাৰ বাবে অঞ্চলটোত ৬ টা ওখ ভেটি নিৰ্মাণৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈও উপায়ুক্তগৰাকীক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে।

আজিৰ এই পৰিদৰ্শন কালত বিধায়কদ্বয় ক্ৰমে ৰামকৃষ্ণ ঘোষ আৰু শিবু মিশ্ৰও উপস্থিত থাকে।

পুঃডেঃ
**১১/০৭/২০২২**